No. of Printed Pages—4

862 (SKM5A/SKP5A)

[20–HRGPNW–D5S(N)21A]

BA 5th Semester (New) Exam., 2020 (W)

SANSKRIT

[GSK S5–01 (M/P)]

(Gadya and Nitikavya)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : 1×8=8

(i) বাণভট্টৰ পৃষ্ঠপোষক ৰজাজনৰ নাম লিখক।

(ii) 'পাকশাসন' শব্দটোৰে কি বুজায়, লিখক।

(iii) চণ্ডালকন্যাই ৰজা শূদ্রকক কি উপহাৰ দিছিল, লিখক।

(iv) 'শ্লেষ' শব্দৰ অৰ্থ কি, লিখক।

(v) 'পুষ্পপুৰী' কোন দেশৰ ৰাজধানীৰ নাম আছিল, লিখক।

(vi) 'পৰিপালয়তি' পদৰ ব্যুৎপত্তি লিখক।

(vii) অঙ্গৰাজক কাৰাগাৰৰ পৰা কোনে মুক্ত কৰিছিল, লিখক।

(viii) ভর্তৃহৰিক কোন শতিকাৰ কবি বুলি কোৱা হয়, লিখক।

(b) শুদ্ধ উত্তৰটো বাছি উলিয়াওক : 1×4=4

(i) 'সুৰভিমাস' বুলিলে শৰৎকাল / বসন্তকাল / বৰ্ষাকালক বুজায়।

(ii) অৱন্তী ৰাজ্যৰ ৰাজধানী হ'ল মালৱ / অলকা / উজ্জয়িনী।

(iii) বীৰকেতুৰ কন্যাৰ নাম বামলোচনা / সুৰতমঞ্জৰী / অম্বালিকা আছিল।

(iv) 'নীতিশতকম্'ত মুঠ এশটা / এশ দুটা / এশ এটা শ্লোক আছে।

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) _____ ইব বিনতানন্দজননঃ।

(ii) সর্বথা _____ অসদৃশসংযোগকাৰিণম্।

(iii) সৌম্য, _____ নাম লাটেশ্বৰো দেশস্যাস্য।

(iv) অদ্য মে মনসি তমোপহন্ত্ৰয়া দত্তো _____।

2. তলত দিয়া প্রশ্নবোৰৰ পৰা যি কোনো **পাঁচটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) প্রহেলিকা মানে কি, লিখক।

(b) 'চন্দ্রশালা' বুলিলে কি বুজে, লিখক।

(c) 'অষ্টবসু'ৰ বিষয়ে অতি চমুকৈ বর্ণনা লিখক।

(d) 'দশকুমাৰচৰিত' পদটো ভাঙি লিখক।

(e) 'শতকত্রয়ী' বুলিলে কোনকেইখন শতককাব্যক বুজায়, লিখক।

(f) সৎসংগই কি সুফল দিয়ে, অতি চমুকৈ লিখক।

3. *(a)* তলত দিয়া প্ৰশ্নবোৰৰ পৰা যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১২০ শব্দৰ ভিতৰত) : 4×4=16

(i) বাণভট্টৰ ৰচনাৱলীৰ বিষয়ে চমুকৈ লিখক।

(ii) 'দশকুমাৰচৰিতম্'ত বৰ্ণিত সোমদত্ত **অথবা** মত্তকালৰ বিষয়ে এটি চমু টোকা লিখক।

(iii) শতককাব্যৰ লক্ষণসমূহ লিখক।

(iv) যি কোনো এখন মহত্ত্বপূৰ্ণ শতককাব্যৰ বিষয়ে টোকা লিখক।

(v) ''মূৰ্খস্য নাস্ত্যৌষধম্''—উদ্ধৃত অংশেৰে সমাপ্ত হোৱা শ্লোকটো মুখস্থ লিখক।

(vi) ''দ্বয়ী বৃত্তিৰ্মনস্বিনঃ''—মনস্বীসকলৰ দুই প্ৰকাৰৰ স্থিতিৰ কথা শ্লোকৰ উদ্ধৃতিৰে লিখক।

(b) তলত দিয়া শ্লোকবোৰৰ পৰা যি কোনো **দুটাৰ** ভাৱাৰ্থ লিখক : 4×2=8

(i) লভেত সিকতাসু তৈলমপি যত্নতঃ পীড়য়ন্
পিৱেচ্চ মৃগতৃষ্ণিকাসু সলিলং পিপাসার্দিতঃ।
কদাচিদপি পর্যটঞ্ছশবিষাণমাসাদয়েৎ
ন তু প্ৰতিনিৱিষ্টমূৰ্খজনচিত্তমাৰাধয়েৎ।।

(ii) বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনং
বিদ্যা ভোগকৰী যশঃ সুখকৰী বিদ্যা গুৰূণাং গুৰুঃ।
বিদ্যা বন্ধুজনো বিদেশগমনে বিদ্যা পৰং দেৱতা
বিদ্যা ৰাজসু পূজ্যতে ন তু ধনং বিদ্যাবিহীনঃ পশুঃ।।

(iii) জাড্যং ধিয়ো হৰতি সিঞ্চতি বাচি সত্যং
মানোন্নতিং দিশতি পাপমপাকৰোতি।
চেতঃ প্ৰসাদয়তি দিক্ষু তনোতি কীৰ্ত্তিং
সৎসঙ্গতিঃ কথয় কিং ন কৰোতি পুংসাম্।।

(iv) যদচেতনোঽপি পাদৈঃ স্পৃষ্টঃ প্ৰজ্জ্বলতি সবিতুৰিনকান্তঃ।
তৎ তেজস্বী পুৰুষঃ পৰকৃতনিকৃতিং কথং সহতে।।

4. তলত দিয়া প্ৰশ্নবোৰৰ পৰা যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×5=30

(a) মহাকবি বাণভট্টৰ অনুকৰণত ৰজা শূদ্রকৰ বিষয়ে চমুকৈ লিখক।

(b) 'কাদম্বৰী' কাব্যৰ অন্তৰ্গত 'শুকনাসোপদেশঃ' নামৰ পাঠটিৰ আধাৰত ৰজাৰ কৰ্তব্যসমূহৰ বিষয়ে বহলাই লিখক।

(c) ''গদ্যং কবীনাং নিকষং বদন্তি''—বাক্যশাৰী বহলাই ব্যাখ্যা কৰি লিখক।

(d) মহাকবি দণ্ডীৰ চমু পৰিচয় লিখক।

(e) 'ৰাজবাহনচৰিত' নামৰ পাঠটিৰ সাৰাংশ লিখক।

(f) কবি ভর্তৃহৰিৰ জীৱন তথা ৰচনাৱলীৰ ওপৰত এটি বিশদ বিৱৰণ দাঙি ধৰক।

★ ★ ★